**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-12-2025 **Time :** 0900 Hrs.

## HEADLINES

১। অৰুণাচলৰ আনজাওত পথ দুৰ্ঘটনাত নিহত অসমৰ শ্ৰমিকৰ নিকট আত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ২ লাখ টকাকৈ সাহায্য ঘোষণা।

২। জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ্ আই টিৰ আজি আদালতত অভিযোগনামা দাখিল।

৩। মণিপুৰৰ সেনাপতি জিলাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আজি জনসভা সম্বোধন। কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন, আধাৰশিলা স্থাপন কাৰ্যসূচীত অংশগ্ৰহণ।

৪। বি টি আৰত আজি ৪ লাখ ৫০ হাজাৰ লোকক সামৰি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণি।

*আৰু*

৫। চণ্ডীগড়ত যোৱানিশা অনুষ্ঠিত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাত ভাৰতৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ ৫১ ৰানত জয়লাভ।

০০০০০০০

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত কালি সংঘটিত এটা শোৱাৰহ পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোকপ্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ এক্স হেণ্ডেলত দুৰ্ঘটনাটোত প্ৰাণ হেৰুওৱা লোকসকলৰ আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী সাহায্য নিধিৰ অধীনত মৃতকৰ নিকট আত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। একেদৰে আহতসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাৰ সাহায্য আগবঢ়োৱাৰ কথাও তেওঁ ঘোষণা কৰিছে। উল্লেখযোগ্য যে, পাহাৰীয়া অঞ্চলৰ পৰা শ্ৰমিক কঢ়িয়াই অনা এখন ডাম্পাৰ অৰুণাচলৰ হায়ুলিয়াং-ছাগ্লাগাম পথত নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। বাহনখনত অসমৰ কমেও ২১ গৰাকী শ্ৰমিক আছিল। ঘটনাৰ পাছতেই স্থানীয় প্ৰশাসন আৰু এন ডি আৰ এফে শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অভিযান চলায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অৰুণাচল প্ৰদেশত সংঘটিত এই শোকাৰহ পথ দুৰ্ঘটনাত অসমৰ শ্ৰমিকৰ প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। মন্ত্ৰী বিমল বৰাই কালি দুৰ্ঘটনাত নিহত শ্ৰমিকসকলৰ তিনিচুকীয়াৰ গেলা পুখুৰীত থকা পৰিয়ালক সাক্ষাৎ কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। সাংবাদিকৰ আগত শ্ৰীবৰাই এই দুৰ্ঘটনাক অত্যন্ত দুখজনক বুলি উল্লেখ কৰি নিহত শ্ৰমিকসকলক উদ্ধাৰ সন্দৰ্ভত এইদৰে কয়-

***বাইট ঃ বিমল বৰা***

০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত ৰহস্যজনক মৃত্যু হোৱা সন্দৰ্ভত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ্ আই টিয়ে আজি আদালতত অভিযোগনামা দাখিল কৰিব। দীঘলীয়া অনুসন্ধান আৰু ৩ শতাধিক লোকৰ সাক্ষ্যৰ ভিত্তিত এছ্ আই টিয়ে গোচৰটোৰ অভিযোগনামা সাজু কৰি উলিয়াইছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰৰ গোচৰটোৰ অভিযোগনামা

আজি আদালতত দাখিল কৰা হ'ব। অভিযোগনামা দাখিলৰ নিৰ্ধাৰিত সময়সীমা ১৮ ডিচেম্বৰত উকলি যাব যদিও ছদিন পূৰ্বেই এছ আই টিয়ে অভিযোগনামা দাখিল কৰিব বুলি এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই ইতিমধ্যে প্ৰকাশ কৰিছে। এই ঘটনা সন্দৰ্ভত ৰুজু হোৱা ১৯/২০২৫ নম্বৰৰ দ্বিতীয়টো গোচৰৰ তদন্ত অব্যাহত থাকিব। ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজন কৰা শ্যামকানু মহন্তৰ বিত্তীয় অনিয়মৰ অভিযোগ সন্দৰ্ভত সম্পূৰ্ণ পৃথককৈ তদন্ত কৰা হৈছে আৰু ইয়াৰ সৈতে মৃত্যুৰ গোচৰটোৰ সম্পৰ্ক নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত এই সন্দৰ্ভত কয়, যে আদালতত অভিযোগনামা দাখিলৰ পাছত এছ আই টি বা আৰক্ষীৰ কাম শেষ হ'ব আৰু নিৰ্ধাৰিত পদ্ধতি অনুযায়ী বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। তেওঁ আদালতৰ ওপৰত আস্থা ৰাখিবলৈ সংশ্লিষ্ট সকলোৰে প্ৰতি আহ্বান জনাইছে।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে মণিপুৰলৈ অহা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মণিপুৰৰ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰি যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিব। ইয়াৰ পাছত তেওঁ সেনাপতি জিলাত এখন জনসভাত অংশ ল'ব আৰু জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কালি সন্ধিয়া ইম্ফলত এহেজাৰ ৩৮৭ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য খণ্ড, শিক্ষা, পথ আৰু ঘাইপথ, জনজাতি উন্নয়ন, কৃষি, বিদ্যুৎ আৰু খোৱাপানী যোগান প্ৰকল্প অন্যতম। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই প্ৰকল্পসমূহে ৰাজ্যখনত অধিক নিয়োগ সৃষ্টি কৰাৰ লগতে আন্তঃগাঁথনিৰ বিকাশ আৰু অৰ্থনৈতিক কাম-কাজসমূহক অধিক গতি প্ৰদান কৰিব। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই প্ৰকল্পসমূহে ৰাজ্যখনত অধিক নিয়োগ সৃষ্টি কৰাৰ লগতে আন্তঃগাঁথনিৰ বিকাশ আৰু অৰ্থনৈতিক কাম-কাজসমূহক অধিক গতি প্ৰদান কৰিব। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে ইম্ফলৰ চিটী কনভেন্সন চেণ্টাৰত আয়োজন কৰা নাগৰিক অভ্যৰ্থনা অনুষ্ঠানত অংশ লয়। অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে মণিপুৰৰ জনসাধাৰণে শেহতীয়াকৈ সন্মুখীন হোৱা সমস্যাৰ বাবে দুখ প্ৰকাশ কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে এই বিষয়টোক সৰ্বাধিক অগ্ৰাধিকাৰ দিছে আৰু ৰাজ্যখনলৈ শান্তি-শৃংখলা ঘূৰাই অনাৰ বাবে কাম কৰিছে।

বাইট

ৰাষ্ট্ৰপতি মুৰ্মুৱে কালি সন্ধিয়া ইম্ফলৰ ৰাজভৱনত ৰাজ্যখনৰ গৃহচ্যুত হোৱা লোকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

বি টি আৰত আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হ'ব। এই আঁচনিৰ অধীনত বি টি আৰৰ ৪ লাখ ৫০ হাজাৰ লোকক সামৰি লোৱা হ'ব। অৰুণোদয় আঁচনিত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আৰু দীনদয়াল দিব্যাংগজন সাহায্য আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে। এই উপলক্ষে আজি কোকৰাঝাৰৰ বড়োফা নগৰৰ গ্ৰীণফিল্ডত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকিব। বি টি আৰৰ প্ৰতিখন জিলাতে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আৰম্ভণি উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ওদালগুৰি জিলাত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকা আৰু চৰণ বড়োৱে অংশ ল'ব। বাক্সা জিলাত ৰঞ্জিত কুমাৰ দাস আৰু উৰ্খাও গৌড়া ব্ৰহ্ম, তামুলপুৰ জিলাত চন্দ্ৰমোহন পাটোৱাৰী আৰু নন্দিতা গাৰ্লোছা আৰু চিৰাং জিলাত ৰূপেশ গোৱালা আৰু কৌশিক ৰায় উপস্থিত থাকিব।

০০০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা **শ্ৰোতা প্ৰেৰণা বঁটা ২০২৫** আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰলৈ আগবঢ়োৱা হৈছে। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হৈছে। শ্ৰোতা প্ৰেৰণা বঁটা ঘোষণা কৰাৰ পাছত শ্ৰীবৰঠাকুৰে তেওঁৰ অনুভৱ এইদৰে ব্যক্ত কৰে-

*-বাইট-*

উল্লেখযোগ্য যে, ২০১০ চনৰ ২৫ ডিচেম্বৰত মাজুলীৰ মুদৈবিলত প্ৰতিষ্ঠা লাভ কৰা ৰেডিঅ' শ্ৰোতা সংঘই মূলতঃ ৰেডিঅ' প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সংঘই ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৰেডিঅ'ৰ সৈতে জড়িত একোগৰাকী ব্যক্তিক শ্ৰোতা প্ৰেৰণা বঁটা আৰু এগৰাকী শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা প্ৰদান কৰে। এই বছৰৰ বাবে অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা দুগৰাকী শ্ৰোতা ধেমাজিৰ চিচি কেৰেকনি মাজগাঁৱৰ মহেশ্বৰ চুতিয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নম্বৰ তেজী গাঁৱৰ দীপক মৰাণলৈ আগবঢ়োৱা হৈছে। অহা ২৫ ডিচেম্বৰত মাজুলীৰ শ্ৰীশ্ৰীএলেংগি টকৌবাৰী সত্ৰত হ'বলগীয়া অনাতাঁৰ মৰম পৰিয়ালৰ যোড়শ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত এটাকৈ ৰেডিঅ' চেট, স্মাৰক, জাপি, সম্বৰ্দ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি প্ৰদান কৰা হ'ব।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

ooooooo

গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত কাইলৈৰ পৰা ১৫ ডিচেম্বৰলৈ চতুৰ্থ সমবায় মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহে অংশগ্ৰহণ কৰিব। মেলাত হাতেবোৱা কাপোৰ, বাঁহ-বেতেৰে নিৰ্মিত সামগ্ৰী, পানী মেটেকা, মৰাপাটেৰে নিৰ্মিত সামগ্ৰী, কাঁহৰ সামগ্ৰী, পৰম্পৰাগত অসমীয়া গহণা, থলুৱা খাদ্য সম্ভাৰ, টেৰাকোটা সামগ্ৰীকে ধৰি বিবিধ সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শন কৰা হ'ব। সমবায় মেলাৰ লগত সংগতি ৰাখি পৰম্পৰাগত সাজ-পাৰ, লোকনৃত্য, সুসজ্জিত বিপণী, সংগীত, কুইজ, তৰ্ক আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooooo

ঘন কুঁৱলীৰ বাবে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ফেৰী সেৱা আজিও পুৱাৰ পৰা বাতিল কৰা হৈছে। যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আভ্যন্তৰীন জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। বতৰ ফলকাৰ নোহোৱা পৰ্যন্ত ফেৰী সেৱা ব্যাহত থাকিব বুলি আভ্যন্তৰীন জল পৰিবহণ বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱানিশা চণ্ডীগড়ত অনুষ্ঠিত দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৫১ ৰানত পৰাজিত কৰে। ২১৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ ৫টা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৬২ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে আলহী দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২১৩ ৰান সংগ্ৰহ কৰে। দক্ষিণ আফ্ৰিকাৰ কুইণ্টন ডি ককে সৰ্বাধিক ৯০ ৰান কৰে। ভাৰতীয় দলৰ হৈ তিলক বাৰ্মাই ৬২ ৰানৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ অটনীল বাৰ্টমেনে ৪টা উইকেট দখল কৰাৰ বিপৰীতে ভাৰতৰ

বৰুণ চক্ৰৱৰ্তীয়ে দুটা উইকেট লাভ কৰে। কুইণ্টন ডি কক-ক প্লেয়াৰ অব্ দ্যা মেছ ঘোষণা কৰা হয়। দুয়োটা দলে শৃংখলাত বৰ্তমান ১-১ত সমতা স্থাপন কৰি আছে।

০০০০০০০

অৰুণাচলৰ পথ দুৰ্ঘটনাত তিনিচুকীয়াৰ ২২ জন শ্ৰমিকৰ মৃত্যু, আজি দাখিল কৰা হ'ব প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বহু প্ৰত্যাশিত অভিযোগনামা, টাই-আহোমৰ দুটা সংগঠনৰ যন্তৰ-মন্তৰত বিক্ষোভ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

মাধ্যমিক পৰ্যায়ত আধাতে শিক্ষা সামৰা শিক্ষাৰ্থীৰ ক্ষেত্ৰত দেশৰ ভিতৰতে অসমে তৃতীয় স্থান লাভ কৰিছে বুলি তথ্য লাভ কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। সমান্তৰালভাৱে কাকতখনে চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টাত ৰাজ্যত ড্ৰপ আউট শিক্ষাৰ্থীৰ সংখ্যা পাইছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যৰ বাতৰিকো প্ৰথম পৃষ্ঠাত স্থান দিছে।

শ্ৰমিক কঢ়িয়াই নিয়া এখন ট্ৰাক অৰুণাচলৰ পাহাৰৰ পৰা কেইবাশ ফুট তলত পৰি যোৱাৰ ফলত তিনিচুকীয়া জিলাৰ ২২ জন শ্ৰমিকে অকাল মৃত্যুক সাৱটি লোৱাৰ বাতৰিটো **দৈনিক অগ্ৰদূত, আমাৰ অসম, দা ছেণ্টিনেল** আদি কাকতৰ লগতে প্ৰায় আটাইকেইখন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি বাৰাণসীত দেশৰ প্ৰথম স্বদেশী হাইড্ৰ'জেন ফুৱেল চেলযুক্ত যাত্ৰীবাহী জাহাজৰ বাণিজ্যিক সেৱাৰ শুভাৰম্ভ কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে।

এছ আই টিয়ে আজি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যু সন্দৰ্ভত আদালতত বহু প্ৰতীক্ষিত অভিযোগনামা দাখিল কৰিব। এই সম্পৰ্কীয় বাতৰি **দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা** আদি সকলো কাকতে প্ৰকাশ কৰিছে।

জনজাতিকৰণৰ লগতে স্বায়ত্ত শাসিত পৰিষদৰ দাবীত টাই-আহোম যুৱ-ছাত্ৰ পৰিষদে নতুন দিল্লীৰ যন্তৰ-মন্তৰত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যত বছৰি ৫০ লাখ টকা পৰ্যন্ত উপাৰ্জনকাৰীৰ সংখ্যা বৃদ্ধি হোৱা বুলি বিত্ত মন্ত্ৰালয়ে শেহতীয়া আয়কৰ ৰিটাৰ্ণৰ তথ্যত প্ৰকাশ কৰাৰ বাতৰি **দৈনিক অসম** কাকতে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

৪০ ঘণ্টাজুৰি কৰা প্ৰচেষ্টাৰ অন্তত গুৱাহাটীৰ স্বাগতা স্কোৱেৰত লগা জুই নুমুওৱাবলৈ সমৰ্থ হোৱাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত ঘন কুঁৱলীৰে আঁৱৰি থাকিব। পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**